**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বাইট (অমিত শ্বাহ)

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া  গৃহ সমষ্টি জালুকবাৰীত ৰোড শ্ব'ত অংশ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেওঁ আজি কাৰ্বি আংলং জিলাৰ বোকাজানত দলীয় প্ৰাৰ্থী সূৰ্য ৰংফাৰৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে বকলীয়াত ডিফু সমষ্টিৰ প্ৰাৰ্থী নিছ' তেৰাংপী আৰু হাওৰাঘাট সমষ্টিৰ প্ৰাৰ্থী লুনচিং টেৰণৰ হৈ প্ৰচাৰ চলোৱাৰ উপৰি বৈঠালাংছ'ত আম্ৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড০ হাবে টেৰণৰ হৈও নিৰ্বাচনী সভাত ভাগ লয়।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঢকুৱাখনা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নৱ কুমাৰ দলেৰ হৈ ঘিলমৰাত প্ৰচাৰ অভিযানত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি দলীয় প্ৰাৰ্থীৰ হৈ ৰাজ্যত প্ৰচাৰ চলায়। শ্ৰীখাৰ্গেই লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ ফটাসুতি ঘাটত আয়োজিত পৰিৱৰ্তন সভাত  অংশ লৈ কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

চৰাইদেউ জিলাৰ চাহবাগিছা অঞ্চলত ভোটদাতাৰ মন জয় কৰাৰ লক্ষ্যৰে আজি ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰববী হেমন্ত চোৰেণে সোণাৰি সমষ্টিৰ জয় ভাৰত দলৰ প্ৰাৰ্থী বলদেৱ তেলীৰ সমৰ্থনত প্ৰচাৰ অভিযানত ভাগ লয়।

অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি জকাই, হালধিবাৰী, কলাখোৱা আদি অঞ্চলত ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ চলায়। শিৱসাগৰত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী আৰু ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে প্ৰচাৰ চলাই আছে। শিলচৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ডাঃ ৰাজদীপ ৰায়ৰ হৈ ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহাই প্ৰচাৰ চলায়।

০০০০০

সমাগত বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে আজি জিলাই জিলাই ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সফলভাৱে সম্পন্ন হয়। ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যবেক্ষক, জিলা নিৰ্বাচনী বিষয়া তথা ৰিটাৰ্ণিং বিষয়াৰ তত্বাৱধানত এই ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। ইয়াৰ জৰিয়তে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ব্যৱহাৰ হ'বলগীয়া বেলট ইউনিট অথবা ভি ভি পেটৰ সংখ্যা নিৰ্ধাৰণ কৰা হয়। জিলাসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় মেচিনৰ উপৰি জৰুৰীকালীন অৱস্থাৰ বাবে পৰ্যাপ্ত

সংৰক্ষিত মেচিনো এই প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত ভোটকেন্দ্ৰভিত্তিক মেচিনসমূহৰ বিশদ তালিকা সকলো প্ৰাৰ্থী আৰু তেঁওলোকৰ প্ৰতিনিধিসকলক প্ৰদান কৰা হয়।

০০০০০

বিধানসভা নিৰ্বাচনৰ অংশ হিচাপে ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰত ভোটদান প্ৰক্ৰিয়া আজিৰে পৰা যোৰহাট জিলাত অনুষ্ঠিত হৈছে। জিলাখনৰ চাৰিওটা সমষ্টিতে এই বিশেষ ভোটদান প্ৰক্ৰিয়া সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে ইতিমধ্যে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰিছে। আৰক্ষীৰ নিৰাপত্তাৰ মাজত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে ভোটদানৰ ব্যৱস্থা কৰা হৈছে। নিৰ্ধাৰিত ভোটগ্ৰহণকাৰী বিষয়াৰ দলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে বুলি আমাৰ যোৰহাট জিলাৰ সংবাদদাতাই জনাইছে। জিলাখনত আজি ১০৭ বছৰীয়া স্বাধীনতা সংগ্ৰামী খগেশ্বৰ গগৈকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ নাগৰিকে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

০০০০০

নিৰ্বাচনৰ বাবে বঙাইগাঁও জিলাৰ জোগীঘোপাৰ মাল্টি মডেল লজিষ্টিক হাবৰ অস্থায়ী আৰক্ষী শিবিৰত নিৰাপত্তাৰ দায়িত্বত নিয়োজিত বিহাৰৰ এজন আৰক্ষী জোৱানৰ আজি পুৱা কৰ্তব্যৰত অৱস্থাত মৃত্যু হয়। দয়া নিধি সিং নামৰ মৃত জোৱানজন বিহাৰৰ বিশেষ সশস্ত্ৰ আৰক্ষীৰ কণিষ্টবল আছিল। পুৱাৰ ভাগত কৰ্তব্যৰত অৱস্থাত হঠাতে অসুস্থ হৈ পৰা জোৱানজনক ততালিকে নিকটৱৰ্তী স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। পাছত জোৱানজনৰ মৃতদেহ মৰনোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাওঁ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ ফলতে জোৱানজনৰ মৃত্যু হোৱা বুলি বঙাইগাওঁৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নুমল মহাত্তাই জানিবলৈ দিছে। মৰনোত্তৰ পৰীক্ষাৰ পাছত মৃতদেহটো নিজা বাসগৃহলৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে বুলি আমাৰ বঙাইগাওঁৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে ৰাজ্যত প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ বাবে বহিঃৰাজ্যৰ পৰা ভালেসংখ্যক চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হৈছে।

০০০০০

অসম আবৃতি আৰু সংস্কৃতি পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত আজি ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলাৰ মানকটা শাখাৰ উদ্যোগত আয়োজিত অনুষ্ঠানৰ আৰম্ভণীতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। বিশিষ্ট কবি বিজু শৰ্মাৰ সঞ্চালনাত মুকলি সভা আৰু আবৃত্তি অনুষ্ঠানত ডিব্ৰুগড় জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সাধাৰণ সম্পাদক বৈদ্যব্ৰাইট বুঢ়াগোহাই মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

মাজুলী জিলা সমিতিৰ উদ্যোগতো আজি দিনযোৰা কাৰ্যসূচীৰে  প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে কবিতা আবৃত্তিকে ধৰি অন্যান্য কাৰ্যসূচীত ভাগ লয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়েত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্চে-মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২২১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আজিংক্য  ৰাহানেৰ নেতৃত্বত কলকাতাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২২০ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত কাইলৈ গুৱাহাটীত হ'বলগীয়া আই পি এলৰ  এখন খেলত ৰাজস্থান ৰয়েলছ-চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ